জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৪৪/২০২০

# বিশিষ্টা লেখিকা, পদ্মশ্ৰী ড° শীলা বৰঠাকুৰৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২১ জুন ঃ** বিশিষ্টা লেখিকা, শিক্ষাবিদ, পদ্মশ্ৰী ড° শীলা বৰঠাকুৰৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত ড° শীলা বৰঠাকুৰে ৰাজ্যখনৰ সাহিত্য, বিদ্যায়তনিক দিশলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। ১৯৭৪ চনত জন্ম লাভ কৰা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী হিচাপে এই সংগঠনটোক আগবঢ়াই নিয়াৰ দিশত তেখেতে যথেষ্ট অৰিহণা আগবঢ়োৱাৰ উপৰি লেখিকা সমাৰোহৰ বহু কেইখন গ্ৰন্থ সম্পাদনা আৰু প্ৰণয়নৰ দিশতো লেখিকা গৰাকীয়ে বিশিষ্ট অৱদান আগবঢ়াই গৈছে। তদুপৰি তেখেতে নিজাবৰীয়াকৈও বহুকেইখন গ্ৰন্থ প্ৰণয়ন আৰু প্ৰকাশ কৰি আমাৰ সাহিত্য জগতলৈ যথেষ্ট অৰিহণা আগবঢ়াই গৈছে। দৰং মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা হিচাপেও যথেষ্ট নিষ্ঠাৰে আমাৰ বিদ্যায়তনিক দিশলৈ তেখেতে অৰিহণা আগবঢ়াই গৈছে। তেজপুৰ কন্যা মহাবিদ্যালয়ৰো অধ্যক্ষা হিচাপে তেখেতে আমাৰ বিদ্যায়তনিক দিশলৈ সেৱা আগবঢ়াই গৈছে। বিভিন্ন সন্মানেৰে সন্মানিত এই গৰাকী লেখিকাক ২০০৮ চনত পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰা হৈছিল। অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন লাভ কৰা এই গৰাকী বিশিষ্টা লেখিকাৰ বিয়োগ আমাৰ সাহিত্য তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ড° শীলা বৰঠাকুৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / পুঃডেঃ**
**২১/০৬/২০২০**